# পাতনি

নাটক এক প্ৰাচীনতম কলা। আত্মপ্ৰকাশ আৰু অনুকৰণপ্ৰিয়তা মানুহৰ দুটা সহজাত প্ৰবৃত্তি। এই দুই প্ৰবৃত্তিৰ তাড়নাতেই জন্ম হয় নাটকৰ। সভ্যতাৰ শিখৰত আৰোহণ কৰি একবিংশ শতিকাত ভৰি দিয়া মানুহেও আত্মপ্ৰকাশ আৰু অনুকৰণপ্ৰিয়তাৰ তাগিদাক অতিক্ৰম কৰি জীৱন আগবঢ়াই নিব নোৱাৰে। সেয়েহে যুগে যুগে নাটকৰ সৃষ্টি হৈ আহিছে বিভিন্ন ৰূপত।

যাযাবৰী মানুহৰ বন্য উল্লাস আৰু সুসভ্য মানুহৰ আটক ধুনীয়া মঞ্চাভিনয় সকলোতে থাকে কেৱল মানৱ জীৱনৰ কথা, প্ৰকাশ কৰা হয় অনুকৰণৰ মাধ্যমেৰে। মানুহৰ জীৱন-যাপনৰ পদ্ধতি সলনি হোৱাৰ লগে লগেই সলনি হয় এইবিধ অনুকৰণধৰ্মী শিল্পৰ। নাটক কেৱল এক সাহিত্য নহয়, ই হৈছে এক জটিল অথচ সকলোৰে আদৰণীয় শিল্পকলা। মানৱ সভ্যতাৰ উত্তৰণৰ ইতিহাসতেই সোমাই আছে নাটকৰো উত্তৰণৰ ইতিহাস। গতিকে যুগে যুগে নাটকে ৰেহ-ৰূপ সলায় মানৱ জীৱন আৰু মানৱ সমাজৰ দৰেই।

উল্লেখ কৰা দুটা প্ৰবৃত্তিৰ উপৰিও নাটক ৰচনাত সহায় কৰে মানুহক আন কিছুমান আভ্যন্তৰীণ প্ৰেৰণাই। অনুৰাগ-উৎকণ্ঠা-ভয় আদি অনুভূতিবোৰে মানুহৰ অন্তৰত সৃষ্টি কৰে কিছুমান সংস্কাৰকামী ৰীতি-নীতিৰ। পৰিশীলিত ৰূপত যাক ধৰ্ম বুলি কোৱা হয়। অৰ্থাৎ নাটকৰ জন্মৰ লগত ধৰ্মীয়-ধ্যান ধাৰণাও বহু পৰিমাণে জড়িত থাকে। নাটকৰ উৎপত্তি স্থল গ্ৰীচ দেশত নাটক আৰু ধৰ্মৰ সহাৱস্থান দেখা যায়।

অসমীয়া নাটকৰ জন্মৰ ঐতিহাসিক প্ৰেক্ষাপটো ধৰ্ম। মহাপুৰুষ শংকৰদেৱে পূৰ্বাপৰ অসমভূমিত চলি অহা নাট্যধৰ্মী কিছুমান অনুষ্ঠানৰ লগত সংস্কৃত নাটক আৰু সৰ্বভাৰতীয় কিছুমান নাট্য আংগিকেৰে সৃষ্টি কৰে অংকীয়া নাটকৰ। প্ৰচাৰধৰ্মিতা মূল উদ্দেশ্য হোৱা সত্ত্বেও অংকীয়া নাটকে জন বিনোদনৰ ক্ষেত্ৰতো লৈছিল বিশেষ ভূমিকা। গুৰুজনাৰ বিয়োগৰ পিচতো তেৰাৰ শিষ্য-প্ৰশিষ্যসকলে মনোৰঞ্জন, সমাজ সংগঠন আৰু ধৰ্মীয় শিক্ষাৰ ত্ৰিবেণী সংগম এই নাটকৰ মাজতে জীয়াই ৰাখিছিল অসমৰ ধৰ্মক, অসমৰ সংস্কৃতিক।

সময় গতিশীল। গতিশীল সময়ৰ লগত খোজ মিলাই অসমীয়া নাটকেও ন-ৰূপ পৰিগ্ৰহ কৰিবলৈ গৈ সংগী কৰি লৈছে প্ৰাচ্য-পাশ্চাত্যৰ বিভিন্ন ধ্যান-ধাৰণাক। এই ধ্যান-ধাৰণাবোৰে অসমীয়া নাটকক ঐশ্চৰ্যশালী আৰু গৰিমাময় কৰি তুলিছে। অসমীয়া নাটক আৰু নাট্য সংস্কৃতিৰ মূল

সুঁতিটোৰ গতি কেতিয়াবা নিস্তেজ হৈছে; কিন্তু মৰাসুঁতি হোৱা নাই।

১৮৫৭ চনত আৰম্ভ হোৱা অসমীয়া নাটকৰ ধাৰাটোক গতি-প্ৰকৃতি দিয়া নাট্যকাৰসকলে অসমীয়া নাটকক সমৃদ্ধিশালী কৰিবলৈ যাওঁতে দেশ-বিদেশৰ বহুতো প্ৰখ্যাত নাট্যকাৰৰ আদৰ্শ গ্ৰহণ কৰিছিল। দেশ-বিদেশৰ নাট্য কৌশলেৰে অসমীয়া নাটকক এক বিশেষ স্থানত অধিষ্ঠিত কৰিব বিচৰা নাট্যকাৰসকলৰ ভিতৰত বসন্ত শইকীয়া অন্যতম। জীৱনৰ সমস্ত সাহিত্য প্ৰতিভা নাটক ৰচনা আৰু নাট্য চিন্তাত কটোৱা বসন্ত শইকীয়াৰ নাটক আৰু নাট্য চিন্তা এক কৌতুহলৰ বিষয়। বিষয়টো অধ্যয়ন কৰি তেওঁৰ নাটকসমূহৰ বিশ্লেষণ কৰিলেহে তেওঁৰ নাট্যপ্ৰতিভাৰ উচিত মূল্যায়ন কৰা হ'ব। বিংশ শতিকাৰ পঞ্চাচৰ দশকৰ পৰা একবিংশ শতিকাৰ দ্বিতীয় দশকলৈকে ধাৰাবাহিকভাৱে নাটক ৰচনা অব্যাহত ৰাখি গুণগত মানদণ্ডৰে অসমীয়া নাটকক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব বিচৰা বসন্ত শইকীয়াৰ নাট্য প্ৰতিভাক উচিত মূল্যায়ন কৰাটো সহজসাধ্য নহয়। অসমীয়া সমাজ জীৱনৰ বহুমুখী সমস্যা আৰু বিশ্ব নাট্য সাহিত্যৰ অভিনৱ কলা কৌশলৰ সংমিশ্ৰণত সৃষ্টি হোৱা শইকীয়াৰ নাটকসমূহত নিজস্ব নাট্য প্ৰতিভা, সমাজ-চেতনা আদি কিদৰে ফুটি উঠিছে তাৰ এটি নিৰ্মোহ বিশ্লেষণ দাঙি ধৰাই এই গৱেষণাৰ উদ্দেশ্য।

**জানুৱাৰী, ২০২২** **ৰূপাঞ্জলি দেৱী**